# Prime Minister Shri Narendra Modi Speaks to His Excellency Mr. Boris Johnson, Prime Minister of the United Kingdom

November 27, 2020

## ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী শ্ৰীযুত বৰিছ জনছনৰ সৈতে প্ৰধানমন্ত্ৰীৰ বাৰ্তালাপ

নৱেম্বৰ 27, 2020

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে আজি টেলিফোনযোগে ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী শ্ৰীযুত বৰিছ জনছনৰ সৈতে টেলিফোনযোগে কথা পাতে।

ক'ভিড-১৯ৰ ফলত সৃষ্টি হোৱা সংকটক লৈ দুয়োগৰাকী নেতাই মত বিনিময় কৰে। ভেকচিন উদ্ভাৱন আৰু উৎপাদনক লৈ ভাৰত আৰু ব্ৰিটেইনৰ মাজত সম্ভাৱ্য সহযোগিতাৰ বিষয় সন্দৰ্ভত তেওঁলোকে আলোচনা কৰে।

ক'ভিডৰ লগতে ব্ৰেক্সিটৰ পৰৱৰ্তী সময়ত ভাৰত-ব্ৰিটেইনৰ অংশীদাৰিত্বক আৰু ক্ষিপ্ৰতাৰে আগুৱাই নিয়াৰ বিষয়ত দুয়োগৰাকী নেতাই প্ৰতিশ্ৰুতি প্ৰদান কৰে। ব্যৱসায়-বাণিজ্য, বিনিয়োগ, বৈজ্ঞানিক গৱেষণা, ছাত্ৰ-ছাত্ৰী আৰু বৃত্তিধাৰকসকলৰ অহা-যোৱা, প্ৰতিৰক্ষা আৰু নিৰাপত্তাৰ ক্ষেত্ৰত সহযোগিতা বৃদ্ধিৰ যি বিপুল সম্ভাৱনা আছে, সেই বিষয়ত দুয়োগৰাকী নেতাই সহমত পোষণ কৰে।

জলবায়ু পৰিৱৰ্তনৰ বিৰুদ্ধে যুঁজত ভাৰত আৰু ব্ৰিটেইনে যাতে একেলগে কাম কৰে সেই দিশতো জোৰ দিয়ে। আন্তঃৰাষ্ট্ৰীয় সৌৰ মৈত্ৰী আৰু দুৰ্যোগ ব্যৱস্থাপনা আন্তঃগাঁথনিৰ জোঁটৰ দৰে বিভিন্ন মঞ্চত দুয়োখন দেশে সহযোগিতা অব্যাহত ৰাখিব।

ভাৰত-ব্ৰিটেইনৰ অংশীদাৰিত্বত দীৰ্ঘম্যাদী উচ্চাকাংক্ষী পৰিকল্পনা দ্ৰুতগতিত বাস্তবায়িত কৰিবলৈ দুয়োখন দেশৰ বিষয়াসকলক একেলগে কাম কৰাৰ বিষয়েও তেওঁলোকে সহমত প্ৰকাশ কৰে।

নতুন দিল্লী
নৱেম্বৰ 27, 2020

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.